**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

-------------------------------

১। কৃত্ৰিম বুদ্ধিমত্তাই যুৱ প্ৰজন্মৰ দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে বুলি কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই প্ৰকাশ কৰে।

২। আলোচনাৰ জৰিয়তে পশ্চিম এছিয়াৰ শান্তি আৰু নিৰাপত্তা নিশ্চিত কৰাৰ ক্ষেত্ৰত ভাৰত আশাবাদী বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰই প্ৰকাশ কৰিছে।

৩। দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগৰ সংযোগ সম্প্ৰসাৰণৰ দিশত এটা বৃহৎ পদক্ষেপ হিচাপে ভাৰত-মালদ্বীপ মুক্ত বাণিজ্য চুক্তিৰ প্ৰথম পৰ্যায়ৰ আলোচনা সফলতাৰে সমাপ্ত হয়।

৪। অসম বিধানসভাৰ অধিবেশনত আজি ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয় সন্দৰ্ভত গঠন কৰা মন্ত্ৰী পৰ্যায়ৰ সমিতিখনে প্ৰতিবেদন দাখিল কৰে।

**আৰু**

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত আজি ফ্ৰান্স, স্পেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

কৃত্ৰিম বুদ্ধিমত্তাই যুৱ প্ৰজন্মৰ দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। হায়দৰাবাদত অনুষ্ঠিত ব্ৰিকছ ফ'ৰামত মুখ্য অতিথি হিচাপে দিয়া ভাষণত কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মাণ্ডাভিয়াই এইদৰে উল্লেখ কৰে। ড০ মাণ্ডাভিয়াই সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত থকা পদক্ষেপসমূহ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি দক্ষ ভাৰত অভিযানৰ অধীনৰ বিভিন্ন কাৰ্যসূচীৰ বিষয়ে আলোচনা কৰে। কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰ'ব'টিক্স প্ৰযুক্তিয়ে সমগ্ৰ দেশতে বৃহৎ পৰিৱৰ্তন সাধন কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। তেওঁ সকলোকে শেহতীয়া প্ৰযুক্তি দায়বদ্ধভাৱে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দি শ্ৰমিকসকলক নিজৰ দক্ষতা উন্নীত কৰি চাকৰি হেৰুওৱাৰ ভয় দূৰ কৰিবলৈ আহ্বান জনায়। তদুপৰি তেওঁ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক উন্নয়নত শ্ৰমিকৰ অমূল্য ভূমিকাৰ কথা স্বীকাৰ কৰি উদ্যোগ আৰু ট্ৰেড ইউনিয়নৰ মাজত শক্তিশালী সহযোগিতাৰ বাবে আহ্বান জনায়। ব্ৰিকছৰ সদস্য-ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। প্ৰযুক্তিগত উন্নতি লগত খোজ মিলাবলৈ মন্ত্ৰীগৰাকীয়ে দক্ষ ভাৰত অভিযানৰ জৰিয়তে নতুন পাঠ্যক্ৰম প্ৰৱৰ্তনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁ লগতে অনানুষ্ঠানিক খণ্ডৰ শ্ৰমিকসকলক প্ৰত্যক্ষভাৱে সামাজিক সুৰক্ষাৰ সুবিধাসমূহ প্ৰদান কৰিবলৈ মুকলি কৰা ই-শ্ৰম প'ৰ্টেলৰ সফলতাৰ কথা উল্লেখ কৰে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই যোৱা নিশাও ইৰানত তীব্ৰ আক্ৰমণ চলায়। আমেৰিকাৰ সামৰিক বাহিনীৰ ছেণ্ট্ৰেল কমাণ্ডে প্ৰকাশ কৰা অনুসৰি ইৰানৰ আবু মুছা, বন্দৰ আববাছ, বুশ্বেহৰ চাবাহাৰ, জাস্ক আৰু

কোনাৰকত আক্ৰমণ চলোৱা হৈছে। ইৰানৰ উপকূলীয় প্ৰতিৰক্ষা ব্যৱস্থা, ক্ষেপণাস্ত্ৰ আৰু ড্ৰোন ক্ষেত্ৰৰ লগতে দেশখনৰ নৌ শক্তিক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হয়। ইৰানে এই আক্ৰমণৰ কথা স্বীকাৰ কৰিছে যদিও কোনো ধৰণৰ ক্ষয়ক্ষতি বা হতাহতৰ খবৰ প্ৰকাশ কৰা নাই। চেণ্ট্ৰেল কমাণ্ডে প্ৰকাশ কৰা মতে হৰমুজ প্ৰণালীত বাণিজিক জাহাজক আক্ৰমণ বন্ধ নকৰালৈকে ইৰানৰ ওপৰত আক্ৰমণ অব্যাহত থাকিব। ইপিনে আমেৰিকাৰ আক্ৰমণৰ প্ৰত্যুত্তৰত ইৰাণে বাহৰেইন আৰু জৰ্দানত আক্ৰমণ চলোৱাৰ লগতে হৰমুজ প্ৰণালীত সংযুক্ত আৰব আমীৰশ্বাহীৰ দুখন তেলবাহী জাহাজত আক্ৰমণ কৰে। এই ঘটনাত এজন নাবিক নিহত হোৱাৰ লগতে ৮জন নাবিক আহত হয়। ইউ এ ইৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ইৰানৰ আক্ৰমণত তেলবাহী জাহাজখনত থকা এগৰাকী ভাৰতীয় নাবিকৰ মৃত্যু হয়। আহতসকলৰ ছজন ভাৰতৰ আৰু দুজন ইউক্ৰেইনৰ নাগৰিক বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিয়ে। জৰ্দানৰ সেনাবাহিনীয়ে কয়, যে ইৰানে দেশখনক লক্ষ্য কৰি নিক্ষেপ কৰা চাৰিটা ক্ষেপনাস্ত্ৰ ধ্বংস কৰা হৈছে। ইপিনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইৰানৰ সন্দেহযুক্ত পাৰমাণৱিক ক্ষেত্ৰ পিকাজে মাউণ্টেইন ধ্বংস কৰি দিয়া ভাবুকি দিছে। পশ্চিমীয়া চোৰাংচোৱাই সন্দেহ কৰা অনুসৰি নাটাঞ্জৰ ওচৰৰ এই পাৰমাণৱিক ক্ষেত্ৰত ইৰানে গোপন পৰীক্ষা-নিৰীক্ষা চলাই আছে।

কালি ৰাষ্ট্ৰপতি ট্ৰাম্পে ঘোষণা কৰিছিল যে, হৰমুজ প্ৰণালীত ইৰানৰ জাহাজৰ চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হ'ব আৰু প্ৰণালীটোত নিৰাপত্তাৰ নামত হোৱা ব্যয় মিলাবলৈ প্ৰতিখন বাণিজ্যিক জাহাজৰ পৰা ২০ শতাংশ মাচুল আৰোপ কৰা হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে হৰমুজত কেৱল ইৰানৰ জাহাজ আৰু ইৰানৰ সৈতে বাণিজ্যিক সম্পৰ্ক থকা জাহাজকহে নিষিদ্ধ কৰা হ'ব। তেওঁ লগতে অন্যান্য দেশৰ বাণিজ্যিক জাহাজক প্ৰণালীটোৰে মুক্ত চলাচলৰ সুবিধা দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইৰানে আমেৰিকাৰ বক্তব্যক অগ্ৰাহ্য কৰি হৰমুজ প্ৰণালীত নিজৰ নিয়ন্ত্ৰণ অব্যাহত থাকিব বুলি ঘোষণা কৰিছে। দেশখনৰ চৰকাৰী মাধ্যমৰ বাতৰি অনুসৰি সেনাৰ কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ৰ মুখপাত্ৰ ব্ৰিগেডিয়াৰ জেনেৰেল ইব্ৰাহিম জলফাঘাৰিয়ে কয়, যে যিকোনো পৰিস্থিতিতে ইৰানে হৰমুজ প্ৰণালীত আমেৰিকাৰ নিয়ন্ত্ৰণ মানি নলয়। তেওঁ লগতে সকীয়াই দিয়ে যে, আমেৰিকাৰ সেনা বাহিনীক সমৰ্থন দিয়া যিকোনো স্থানীয় দেশক ইৰানৰ শত্ৰু বুলি গণ্য কৰা হ'ব।

০০০০০০০০০

নতুন দিল্লীয়ে পশ্চিম এছিয়াৰ পৰিস্থিতি পুংখানুপুংখভাৱে নিৰীক্ষণ কৰি থকা বুলি প্ৰকাশ কৰি নিৰাপদ আৰু নিৰ্বিঘ্নে নৌ পৰিবহন তথা হৰমুজ প্ৰণালীৰ মাজেৰে বাণিজ্যিক প্ৰবাহৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত সংবাদ মাধ্যমক এই বিষয়ে অৱগত কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে সমগ্ৰ বিশ্বৰ লোকসকলৰ অৰ্থনৈতিক আৰু শক্তি সুৰক্ষা নিশ্চিত কৰাৰ বাবে এই আহ্বান জনোৱা হৈছে। শ্ৰীজয়ছৱালে কয় যে নতুন দিল্লীয়ে তেহৰাণৰ প্ৰতি গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। ভাৰতে এই আক্ৰমণসমূহ অতি সোনকালে বন্ধ কৰিব লাগে বুলি উল্লেখ কৰি এই বিষয়ত ইৰাণৰ পক্ষ লৈ নিজৰ কঠোৰতম প্ৰতিবাদ সাব্যস্ত কৰিছে। দুয়োপক্ষই আলোচনাৰ মাজেৰে পশ্চিম এছিয়াৰ শান্তি আৰু নিৰাপত্তা নিশ্চিত কৰাৰ বাবে ভাৰতে আশা প্ৰকাশ কৰিছে।

বাইট

০০০০০০০০০

দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগৰ সংযোগ সম্প্ৰসাৰণৰ দিশত এটা বৃহৎ পদক্ষেপ হিচাপে ভাৰত-মালদ্বীপ মুক্ত বাণিজ্য চুক্তিৰ প্ৰথম পৰ্যায়ৰ আলোচনা সফলতাৰে সমাপ্ত হয়। যোৱা সপ্তাহত ভাৰ্চুৱেলযোগে এই আলোচনা অনুষ্ঠিত হৈছিল। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰে যে দুয়োপক্ষই আলোচনাৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে আৰু কেইবাটাও বিষয়ত সহমতত উপনীত হৈছে। ভাৰত মালদ্বীপৰ দ্বিতীয় বৃহত্তম বাণিজ্যিক অংশীদাৰ। ২০২৪-২৫ বৰ্ষৰ তুলনাত ২০২৫-২৬ বৰ্ষত দুয়োপক্ষৰ মাজৰ বাণিজ্য ১৩ দশমিক ৫-৪ শতাংশ বৃদ্ধি পাইছে। প্ৰস্তাৱিত মুক্ত বাণিজ্য চুক্তিয়ে বজাৰৰ প্ৰবেশ বৃদ্ধি, বিনিয়োগৰ সুবিধা প্ৰদান, অধিক অৰ্থনৈতিক সহযোগিতাৰ প্ৰসাৰ আৰু দুয়োখন দেশৰ বহনক্ষত অৰ্থনৈতিক বৃদ্ধিত অৰিহণা যোগোৱাৰ জৰিয়তে দ্বিপাক্ষিক অৰ্থনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। মন্ত্ৰালয়ে জনোৱা অনুসৰি দুয়োপক্ষই ন্যায় আৰু পাৰস্পৰিকতাৰ নীতিৰ দ্বাৰা পৰিচালিত এখন বহল-ভিত্তিক চুক্তিৰ দিশত কাম কৰি আছে।

০০০০০০০০০

অসম বিধানসভাৰ অধিবেশনত আজি ছটা জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয় সন্দৰ্ভত গঠন কৰা মন্ত্ৰী পৰ্যায়ৰ সমিতিখনে প্ৰতিবেদন দাখিল কৰিছে বুলি ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। বিধানসভাত বিৰোধী পক্ষৰ বিশেষ প্ৰসংগ ঘণ্টাত উত্থাপন কৰা বিষয়টোৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে কয়, যে নতুনকৈ প্ৰস্তাৱিত উপত্যকা জনজাতি শাখাৰ অধীনত ভৈয়াম জনজাতি, পাহাৰ জনজাতি আৰু সংৰক্ষণৰ বিষয় সন্দৰ্ভত আগবঢ়োৱা পৰামৰ্শকে ধৰি জনজাতীয় মৰ্যাদা সম্পৰ্কীয় মূল প্ৰস্তাৱসমূহত কোনোধৰণৰ সালসলনি কৰা হোৱা নাই। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰস্তাৱ যুগুতোৱাৰ পাছত মৰাণ আৰু মটক সংগঠনসমূহে জাতি বিজ্ঞান সম্পৰ্কীয় শুধৰণি বিচাৰি দাবী উত্থাপন কৰে আৰু চৰকাৰে অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠানৰ তথ্য অনুসৰি এই শুধৰণিৰ প্ৰস্তাৱ মানি লয়। ডাঃ পেগুৱে কয়, যে বিধানসভা নিৰ্বাচনৰ বাবে এই সংশোধিত প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব পৰা হোৱা নাছিল। তেওঁ কয়, যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে সংশোধনসমূহত অনুমোদন দিছে আৰু যাৱতীয় প্ৰক্ৰিয়াৰ অন্তত সংশোধিত প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব।

০০০০০০০০০

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে পূৰ্বৰ আঁচনিৰ সংস্কাৰ সাধন কৰাৰ কথা ঘোষণা কৰি কয় যে পূৰ্বতে সাৰ পৰিবহনৰ বাবে ব্যৱহাৰ কৰি অহা পাত্ৰসমূহৰ ব্যৱহাৰৰ পৰিৱৰ্তে অতি সোনকালে বিশেষ ধৰণেৰে নিৰ্মিত সাৰ পৰিবহনৰ পাত্ৰ ব্যৱহাৰ কৰা হ'ব। নতুন দিল্লীত আজি এখন সংবাদ মেল সম্বোধন কৰি শ্ৰীবৈষ্ণৱে কয় যে সাৰ পৰিবহনৰ দিশত ভাৰতীয় ৰে'লৱেই ৮৫ শতাংশ অংশীদাৰিত্ব আগবঢ়াই আহিছে। তেওঁ কয় যে এই আধুনিকভাৱে নিৰ্মিত পাত্ৰসমূহ ব্যৱহাৰ কৰা সহজ আৰু এইসমূহে অপ্ৰদূষিতভাৱে সাৰসমূহ সংগ্ৰহ কৰি ৰখাত সহায় কৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দেশৰ ৰে'ল বিভাগত সংস্কাৰ সাধন কৰাৰ ওপৰত সদায়েই উৎসাহ যোগাই আহিছে। শ্ৰীবৈষ্ণৱে লগতে বিভিন্ন দিশত ব্যৱহৃত উৰণীয়া ছাই পৰিবহনৰ ক্ষেত্ৰতো এই নতুন পাত্ৰসমূহৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে জানিবলৈ দিয়ে যে ভাৰতে প্ৰতি বছৰে চিমেণ্ট উৎপাদন আৰু পথ নিৰ্মাণৰ ক্ষেত্ৰত বহুলভাৱে ব্যৱহৃত এই ছাইৰ ৩৪০ মিলিয়ন টন উৎপাদন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে এই নতুনকৈ নিৰ্মিত হ'বলগীয়া পাত্ৰসমূহৰ ব্যৱহাৰৰ ফলত বায়ু প্ৰদূষণ বহু পৰিমাণে লাঘৱ কৰিব বুলিও উল্লেখ কৰে।

০০০০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত ফ্ৰান্স, স্পেইনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আৰ্জেণ্টিনা আৰু ইংলেণ্ড মুখামুখি হ'ব। খেলখন কাইলৈ নিশা চাৰে ১২ বজাত অনুষ্ঠিত হ'ব।

০০০০০০০০০

সমাপ্ত